# সাধনাত ব্ৰহ্মজ্ঞান প্ৰাপ্তি

✍ শ্ৰীদেৱানন্দদেৱ গোস্বামী
শ্ৰীশ্ৰীআউনীআটী ডেকাসত্ৰাধিকাৰ

প্ৰাচীন কালত ভিন্ন প্ৰান্তত বসতি স্থাপন কৰা প্ৰজ্ঞাৱান ঋষি-মুনিসকলে গুৰুকুল আশ্ৰম প্ৰতিষ্ঠা কৰিছিল। সেই আশ্ৰমসমূহলৈ দেশৰ নানা প্ৰান্তৰ পৰা শিক্ষাৰ্থীসকলৰ আগমন ঘটিছিল। আৰু তেওঁলোকে আশ্ৰমত নিবাস কৰি বিদ্যা-শিক্ষা গ্ৰহণ কৰিছিল।

কোনো এসময়ত জবলা নামৰ এগৰাকী নৈষ্ঠিক ব্ৰাহ্মণী আছিল। সেই ব্ৰাহ্মণীৰ এটি পুত্ৰ আছিল যাৰ নাম সত্যকাম। এদিন সত্যকামৰ গুৰুকুলত থাকি জ্ঞান অৰ্জনৰ প্ৰবল ইচ্ছা জাগ্ৰত হ'ল। আৰু তেওঁ স্বমাতৃক ক'লে — "আই মই ব্ৰহ্মচৰ্য ব্ৰত পালন কৰি গুৰুসেৱাত ব্ৰতী হ'ব বিচাৰোঁ। কিন্তু আই মই নিজৰ নামটোহে জানো, গোত্ৰ হ'লে নাজানো। গুৰুৱে যদি মোৰ গোত্ৰৰ কথা সোধে তেতিয়া মই গুৰুদেৱক কি প্ৰত্যুত্তৰ দিম আই?"

পুত্ৰৰ অনুসন্ধিৎসু ভাৱ যুক্ত প্ৰশ্ন শুনি মাতৃ জবলাই অতি দুখ মনেৰে ক'লে — "পুত্ৰ! মই গৃহতেই সদায় অতিথি সেৱাত ব্যস্ত থাকোঁ। এনে ব্যস্ততাৰ বাবে মই তোমাৰ স্বৰ্গগামী পিতাৰাৰ পৰা তোমাৰ গোত্ৰৰ বিষয়ে সুধা নাছিলোঁ। গুৰুদেৱে সুধিলে তুমি অতি বিনয়ভাৱে ক'বা যে মই জবলাৰ পুত্ৰ সত্যকাম।" এই বুলি জবলাই নিজৰ স্নেহৰ পুত্ৰৰ বিদ্যা অৰ্জনৰ প্ৰবল ইচ্ছা দেখি অনাবিল আনন্দত উৎসাহিত হৈ পুত্ৰক গৌতম গুৰুৰ আশ্ৰমলৈ যাবলৈ আজ্ঞা প্ৰদান কৰিলে। মাতৃৰ আজ্ঞা পাই সত্যকামে মাতৃৰ চৰণত সেৱা জনাই গুৰু গৌতম ঋষিৰ আশ্ৰমলৈ যাত্ৰা কৰিলে।

সত্যকামে গুৰু গৌতম ঋষিৰ বিষয়ে পূৰ্বতেই জানিছিল। সেই কাৰণে হৰিদ্ৰাবষ্থিত গুৰুগৌতম ঋষিৰ আশ্ৰমত উপস্থিত হ'লগৈ। সত্যকামে আশ্ৰমত গৌতম ঋষিক দৰ্শন পাই দণ্ডৱতে প্ৰণাম কৰি মনৰ ভাৱ নিবেদন কৰি ক'লে গুৰুদেৱ মই ব্ৰহ্মচৰ্য পালন কৰি আপোনাৰ সেৱা কাৰ্যত ব্ৰতী হ'ব বিচাৰোঁ। কৃপাশিস দাণি শিষ্য হিচাপে গ্ৰহণ কৰক। গৌতম ঋষিয়ে বালকৰ বিনম্ৰ স্বভাৱ সম্পন্ন দেখি প্ৰসন্ন হ'ল। ঋষিয়ে তেতিয়া স্নেহযুক্ত বাক্যৰে সত্যকামক সুধিলে — "বৎস, তোমাৰ নাম আৰু গোত্ৰ কি?" সত্যকামে ক'লে —"গুৰুদেৱ মোৰ নাম সত্যকাম। কিন্তু মোৰ গোত্ৰহে অজ্ঞাত। কাৰণ মোৰ মাতৃক গোত্ৰৰ কথা সোধাত মোৰ মাতৃয়ে অতি দুখ মনেৰে এনেদৰে কৈছিল — পুত্ৰ তোমাৰ পিতৃ যেতিয়া জীৱিত আছিল সেই সময়ত আমাৰ গৃহলৈ বহুতো অতিথিৰ শুভাগমন ঘটিছিল। সেই অতিথি সৎকাৰত ব্যস্ত থকাৰ কাৰণে তোমাৰ পৰলোকগামী পিতাৰাক তোমাৰ গোত্ৰ সুধিবলৈ পাহৰি থাকিলোঁ। আৰু ক'লে তুমি

মাত্ৰ জানি থোৱা যে তুমি জবলাৰ পুত্ৰ সত্যকাম। সেইহেতু গুৰুদেৱ মই ইয়াকেহে জানো যে মই জবলাৰ পুত্ৰ সত্যকাম।"

বালক সত্যকামৰ স্পষ্ট উত্তৰ শুনি ঋষি প্ৰসন্ন হৈ ক'লে — "বৎস তুমি নিশ্চিত ব্ৰাহ্মণ কুমাৰ। কাৰণ তোমাৰ চৰিত্ৰত ব্ৰাহ্মণত্ব প্ৰকাশ পাইছে। আহা মই তোমাক উপনয়নৰ দ্বাৰা সংস্কাৰ কৰি দিওঁ।

ঋষি গৌতমে সমিধ আদি দ্ৰব্য আনি বালকৰ উপনয়ন সংস্কাৰ কৰি দিলে। তাৰ পাছত গৌতম ঋষিয়ে সত্যকামক আশ্ৰমত থকা চাৰিশ দুৰ্বল লেবেলা গো-বৎস দেখুৱাই ক'লে— বৎস এই যে গোধনসমূহ দেখিছা এই সমূহ বনলৈ লৈ যোৱা আৰু সেই গোধন সমূহৰ গোবৎসৰ সংখ্যা যেতিয়া এক হাজাৰ হ'ব তুমি তেতিয়া গোবৎস বিলাক পুনৰ আশ্ৰমলৈ লৈ আহিবা। সত্যকামে গুৰুৰ আজ্ঞা শিৰোধাৰ্য বুলি প্ৰণাম জনাই গোধনসমূহ আগত লৈ বনলৈ গমন কৰিলে।

বনত গৈ সত্যকামে গোবৎস বিলাকৰ কাৰণে এনে স্থান নিৰ্বাচন কৰিলে য'ত তৃণ, জল, প্ৰভৃতি খাদ্য সম্ভাৰৰ সু-ব্যৱস্থা আছে। সত্যকামে গো-বৎস বিলাক কেনেকৈ সুৰক্ষা প্ৰদান কৰিব পাৰি তাৰো উপায় চিন্তা কৰিলে। সত্যকামে তন-মনৰ সহিত গো-বৎসবিলাক সেৱা কৰিবলৈ ধৰাৰ পৰিপ্ৰেক্ষিতত দুৰ্বল আৰু লেবেলা গো-বৎসসকল ক্ৰমাৎ হৃষ্ট-পুষ্ট হ'ল। পৰৱৰ্তী সময়ত ক্ৰমান্বয়ে গো-বৎসসকলৰ বংশ বৃদ্ধি হ'বলৈ ধৰিলে। হঠাৎ এদিন কোনো এক বৃষভে সত্যকামৰ ওচৰলৈ আহি সুমধুৰ স্বৰেৰে ব্যক্ত কৰিলে সত্যকাম, বৰ্তমান তোমাৰ গো-বৎসৰ সংখ্যা এক হাজাৰ পূৰ্ণ হ'ল। তুমি গো-বৎসসমূহ গুৰুৰ আশ্ৰমলৈ লৈ ব'লা। মই তোমাক ব্ৰহ্মজ্ঞানৰ প্ৰথম পাদৰ উপদেশ দিব বিচাৰোঁ। সত্যকামে তেতিয়া ক'লে — ভগৱান অনুগ্ৰহ কৰি মোক ব্ৰহ্মজ্ঞান দিয়ক। তেতিয়া বৃষভে প্ৰকাশৱান নামৰ ব্ৰহ্মৰ প্ৰথম পাদৰ উপদেশ দিলে আৰু ক'লে ব্ৰহ্মৰ দ্বিতীয় পাদৰ উপদেশ তোমাক অগ্নিদেৱে প্ৰদান কৰিব। সত্যকামে লাভ কৰা ব্ৰহ্মজ্ঞান মনন কৰিব ধৰিলে।

দ্বিতীয় দিনা ব্ৰহ্মপুৱাই সত্যকামে গো-বৎসগণক আগত লৈ গুৰুৰ আশ্ৰমলৈ বুলি আগবাঢ়িল। যেতিয়া সন্ধ্যা নামি আহিল তেতিয়া সুবিধাজনক স্থানত তেওঁ গো-বৎস বিলাক ৰাখিলে। যি স্থানত গো-বৎসবিলাকৰ কাৰণে প্ৰয়োজনীয় ঘাঁহ-পানীৰ সু-ব্যৱস্থা আছে তেনে এক গো-ৰক্ষিত স্থানত অগ্নি প্ৰজ্জ্বলন কৰি পূৰ্বাভিমুখ হৈ বহোঁতেই অকস্মাতে অগ্নিদেৱে সত্যকামক ক'লে — "সত্যকাম!" লগে লগে সত্যকামে ক'লে — "ভগৱান আজ্ঞা কৰক।" অগ্নিদেৱে ক'লে — "বৎস, মই তোমাক ব্ৰহ্ম জ্ঞানৰ দ্বিতীয় পাদৰ উপদেশ দিব বিচাৰোঁ।" স্বয়ং অগ্নিদেৱে সত্যকামক অনন্তৱান নামৰ ব্ৰহ্মৰ দ্বিতীয় পাদৰ উপদেশ দিলে আৰু ক'লে -- ব্ৰহ্মৰ তৃতীয় পাদৰ উপদেশ তোমাক এক হংসই প্ৰদান কৰিব। সত্যকামে এনেকৈ প্ৰাপ্ত জ্ঞানৰাশি অন্তৰতে চিন্তা কৰিবলৈ ধৰিলে।

ৰাতিপুৱাৰ লগে লগে সত্যকামে গো-বৎস বিলাকক লগত লৈ পুনঃ আশ্ৰমৰ অভিমুখে যাত্ৰা কৰিলে। দিনটো যোৱাৰ পাছত যেতিয়া সন্ধ্যা নামি আহিল সত্যকামে তেতিয়া কোনো এক সুবিধাজনক স্থান চাই গো-বৎসসমূহৰ কাৰণে খাদ্য সামগ্ৰী ব্যৱস্থা কৰিলে। পুনৰ অগ্নি প্ৰজ্জ্বলন কৰি তেওঁ পূৰ্বাভিমুখ হৈ বহিল। তেনে সময়তে হংস পক্ষী সেই স্থানলৈ আহি ক'লে "সত্যকাম!" সত্যকামে ক'লে — "ভগৱান আজ্ঞা কৰক" হংস পক্ষীয়ে ক'লে তোমাক মই ব্ৰহ্মৰ তৃতীয় পাদৰ উপদেশ দিবলৈ আহিছোঁ।

সত্যকামে ক'লে — "কৃপা কৰক ভগৱান।" হংসপক্ষীয়ে লগে লগে জ্যোতিস্মান নামৰ ব্ৰহ্মৰ তৃতীয় পাদৰ উপদেশ দিলে আৰু ক'লে — "চতুৰ্থ পাদ ব্ৰহ্মৰ উপদেশ তোমাক এক জলপক্ষীয়ে প্ৰদান কৰিব। ইয়াকে কৈ হংস উৰা মাৰিল। সত্যকামে অহোৰাত্ৰ হংসৰ দ্বাৰা প্ৰাপ্ত হোৱা উপদেশৰ কথা চিন্তা কৰি থাকিল।

পাছদিনা ৰজনী বিদূৰ হোৱা লগে লগে পুনঃ গো-বৎস বিলাক লগত লৈ আশ্ৰমৰ দিশে যাত্ৰা কৰিলে। সন্ধ্যা নামি অহাৰ লগে লগে গো-বৎস বিলাকৰ কাৰণে নিৰাপদ স্থান আৰু ঘাঁহ্-পানী আদি ব্যৱস্থা কৰিলে। তাৰ পাছত অগ্নি প্ৰজ্জ্বলন কৰি পূৰ্বাভিমুখ হৈ আসনাধিষ্ট হ'ল। তেনে সময়তে এটি জলপক্ষীয়ে সেই স্থানত উপস্থিত হৈ সত্যকামক ক'লে "সত্যকাম"। সত্যকামে ক'লে "আজ্ঞা কৰক।" জলপক্ষীয়ে ক'লে "মই তোমাক ব্ৰহ্মৰ চতুৰ্থ পাদৰ উপদেশ দিবলৈ আহিছোঁ।" সত্যকামে আনন্দমনে ক'লে — "দিয়ক ভগৱান।" জলপক্ষীয়ে আয়তনৱান নামৰ ব্ৰহ্মৰ চতুৰ্থপাদৰ উপদেশ দি সেই ঠাইৰ পৰা উৰা মাৰিলে। সত্যকামে উপদেশৰ কথা চিন্তা কৰি থাকিল।

সত্যকামক ব্ৰহ্মৰ প্ৰথমপাদ বায়ুদেৱে বৃষভৰূপে উপদেশ দিছিল। দ্বিতীয় পাদ ব্ৰহ্মৰ উপদেশ দিছিল অগ্নিদেৱে, তৃতীয় পাদ ব্ৰহ্মৰ উপদেশ দিছিল হংসৰূপ ধাৰণ কৰি সূৰ্যদেৱে। এনেকৈ জলপক্ষীৰূপ ধাৰণ কৰি ব্ৰহ্মৰ চতুৰ্থ পাদ উপদেশ দিছিল দেহত থকা পঞ্চবায়ুৱে। ক্ৰমশঃ ব্ৰহ্মজ্ঞানৰ চাৰিও পাদ হৈছে — প্ৰকাশৱান, অনন্তৱান, জ্যোতিষ্মান আৰু আয়তনৱান। এনেদৰে সত্যকামে ছদ্মবেশধাৰী দেৱতা মণ্ডলীৰ পৰা ব্ৰহ্মৰ চতুৰ্থপাদৰ জ্ঞান লাভ কৰিলে।

সত্যকামে একনিষ্ঠভাৱে গো-সেৱা আৰু গুৰুৰ আজ্ঞা পালন কৰাৰ ফলস্বৰূপে বনৰ মধ্যতেই ব্ৰহ্মজ্ঞান লাভ কৰিব পাৰিলে। লগে লগে সত্যকামৰ মুখমণ্ডলত ব্ৰহ্ম তেজ বিদ্যমান হৈ উঠিল। ব্ৰহ্মজ্ঞান প্ৰাপ্ত হৈ গুৰুৱে পূৰ্বতে কোৱা গো-বৎসবিলাক লৈ গুৰুৰ আশ্ৰমৰ অভিমুখে যাত্ৰা কৰিলে। স্বগুৰু গৌতম ঋষিৰ আশ্ৰমত প্ৰৱেশ কৰি সত্যকামে দণ্ডৱতে ঋষিক প্ৰণাম জনাই ক'লে —গুৰুদেৱ, গো-বৎসসকলৰ সংখ্যা এহেজাৰ পূৰ্ণ হ'ল। আপোনাৰ আজ্ঞা অনুসাৰে মই গো-বৎসসকলক লৈ পুনঃআশ্ৰম পালোঁহি! গৌতম ঋষিয়ে হৃষ্ট-পুষ্ট গো-ধন দেখি আৰু সত্যকামৰ মুখ মণ্ডল দৰ্শন পাই ক'লে বৎস সত্যকাম, তোমাৰ মুখমণ্ডলত ব্ৰহ্ম তেজ বিৰাজ হৈছে। তেনে অৱস্থাত সত্যকামে গুৰু গৌতমক অতি বিনয়ভাৱে বনত ঘটা সকলো ঘটনা আদ্যোপান্ত ক'লে আৰু বিনয় বচনেৰে নিবেদন কৰিলে — "গুৰুদেৱ, গুৰুৰ দ্বাৰা প্ৰাপ্ত হোৱা বিদ্যাহে শ্ৰেষ্ঠ বিদ্যা। এতিয়া আপুনি মোক অৱশিষ্ট জ্ঞান প্ৰদান কৰক। গৌতম ঋষিয়ে ক'লে "বৎস ইতিপূৰ্বেই তুমি ব্ৰহ্মতত্ত্ব প্ৰাপ্ত হৈছা। আজিৰ পৰা সত্যকামৰ পৰিৱৰ্তে জাবালা ঋষি নামেৰে খ্যাতি অৰ্জন কৰিবা।

সত্যকামে দৰাচলতে বাল্য কালতেই সংস্কাৰৰ মুখ দেখিছিল। কিয়নো সত্যকামৰ পিতৃ--মাতৃয়েই ইয়াৰ উৎকৃষ্ট নিদৰ্শন। সত্যকামে ঘৰতেই লাভ কৰিছিল অতিথি সেৱা, সত্যবাদিতা, বিনম্ৰতা, সদাচাৰ, সৰলতা, আজ্ঞাপালন আদি সদ্গুণসমূহ। সেই সদ্গুণসমূহৰ মাধ্যমেদি ব্ৰহ্মজ্ঞান লাভ কৰিবলৈ তেওঁ সমৰ্থ হৈছিল। বিশেষত গৌতম ঋষিৰ আশীৰ্বাদত আৰু স্বগৃহত লাভ কৰা সদ্গুণসমূহৰ কাৰণে ব্ৰহ্মজ্ঞান লাভ হোৱাত সহায়ক হ'ল। সত্যকামৰ জীৱন বৃত্তান্ত শিক্ষাৰ্থীসকলৰ কাৰণে প্ৰেৰণাৰ স্থল। সকলো লোকৰ কাৰণে এই বিলাক হৈছে সু-সংস্কাৰ। এনেবিলাক সংস্কাৰৰ দ্বাৰাহে মানৱ জীৱনত সফলতা লাভ কৰিব পাৰি। এনেকৈ জীৱনৰ প্ৰাথমিক অৱস্থাত প্ৰাপ্ত হোৱা সু-সংস্কাৰ তথা সাধনাৰ দ্বাৰাহে আধ্যাত্মিক আৰু নৈতিক জ্ঞান লাভ হয়। যি তনু-মনৰ পৰা বদগুণ সমূহ পৰিত্যাগ কৰি প্ৰকৃত জীৱ শ্ৰেষ্ঠ মানৱলৈ ৰূপান্তৰিত হ'ব পাৰে। তেনে লোকৰ ইহকাল পৰকালৰ নিমিত্তে পুণ্য সঞ্চিত হৈ থাকে। প্ৰকৃতাৰ্থত সাধনা সংস্কাৰযুক্ত মানৱৰহে সদা-সৰ্বদা সদ্গুণ বিকশিত হয় আৰু ব্ৰহ্মত্ব প্ৰাপ্তি ঘটে। □